**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::**

## ***HEADLINE***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলছি ৰ'ড্ৰিগেজৰ সৈতে আলোচনাত মিলিত হয়।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ফিল কামাণ্ডাৰ সকলৰ বাবে বিত্তিয় ছিলিং দুগুন বৃদ্ধিত অনুমোদন জনায়।

৩। অজৈৱিক ইন্ধন উৎপাদনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ অন্যতম শীৰ্ষ দেশ হিচাপে পৰিগণিত হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰে।

৪। মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চলক সংঘৰ্ষৰ কেন্দ্ৰৰ পৰা সুযোগৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

*আৰু*

৫। ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এছিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত কাইলৈ ভাৰতে পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলছি ৰ'ড্ৰিগেজৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে কয়, যে নেতা দুগৰাকীয়ে দ্বিপাক্ষিক সম্পৰ্কৰ সম্পূৰ্ণ পৰ্যালোচনা কৰি শক্তি, বাণিজ্য, বিনিয়োগ, স্বাস্থ্য সেৱা, অ'ট'মোবাইলছ্ আদিৰ ক্ষেত্ৰত সহযোগিতাৰ পথ অন্বেষণ কৰে।

আলোচনাৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি সচিব ৰুদ্ৰেণ্ড্ৰ টেণ্ডনে কয়, যে ভেনিজুৱেলাত বিশ্বৰ ভিতৰত এক বৃহৎ পৰিমাণৰ খাৰুৱা তেল মজুত আছে। তেওঁ কয়, যে আজি দুয়ো পক্ষৰ মাজৰ আলোচনাত দুয়োখন দেশৰ মাজত শক্তিৰ অংশীদাৰিত্ব গঢ়িতোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তেওঁ আৰু কয়, যে ভেনিজুৱেলাই ভাৰতক অনাগত বহু বছৰলৈ সুস্থিৰ দাবীদাৰ বুলি গণ্য কৰে। টেণ্ডনে জনোৱা অনুসৰি শক্তি অংশীদাৰিত্বৰ উপৰি পশুপালন, পৰিবহন, কৃষি সঁজুলি আৰু ঔষধৰ ক্ষেত্ৰত অৰ্থনৈতিক অংশীদাৰিত্ব প্ৰসাৰ কৰাৰ দিশতো আলোচনা কৰা হয়। আলোচনাকালত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজৰিত গোলকীয় আৰু আঞ্চলিক বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ফিল কামাণ্ডাৰ সকলৰ বাবে বিত্তিয় ছিলিং দুগুন বৃদ্ধিৰ অনুমোদন জনায়। তেওঁ চিকিৎসা আৰু কাৰ্যপ্ৰকল্পকে ধৰি প্ৰতিৰক্ষা সেৱাৰ বাবে সংশোধিত বিত্তীয় ক্ষমতাৰ প্ৰতিনিধিৰ দলটো ঘোষণা কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনাই যে, চলিতবৰ্ষৰ বাজেট আৱণ্টনৰ সৈতে সংগতি ৰাখি বিত্তীয় ক্ষমতাৰ সংশোধীত প্ৰতিনিধি দলে ৰাজহৰ জৰিয়তে এক লাখ ২৫ হাজাৰ কোটিতকৈও অধিক টকাৰ সামগ্ৰী ক্ৰয়ৰ সুবিধা প্ৰদান কৰিব। লগতে প্ৰকাশ কৰে যে, বিত্তীয় ক্ষমতা ১০০ শতাংশ বৃদ্ধি কৰা হৈছে আৰু কিছুমান ক্ষেত্ৰত দুগুণতকৈও বেছি ক্ষমতা বৃদ্ধি কৰা হৈছে। মন্ত্ৰ্যালয়ে আৰু কয়, যে ইয়াৰ দ্বাৰা ফিল্ড কামাণ্ডাৰসকলক কাৰ্যকৰী দক্ষতা আৰু অধিক শক্তিশালী হোৱাৰ লগতে প্ৰকল্পসমূহৰ কাৰ্য সম্পাদন খৰতকীয়া হ'ব। মন্ত্ৰ্যালয়ে জনোৱা মতে স্থলসেনা, বায়ুসেনা আৰু নৌসেনাৰ মুৰববীসকলক প্ৰদান কৰা বিশেষ আৰ্থিক ক্ষমতা অধিক বৃদ্ধি কৰা হৈছে। লগতে জৰুৰী কাৰ্য সম্পাদনৰ বাবে মুঠ চিলিঙৰ সীমা ১০০ শতাংশ বৃদ্ধি কৰা হৈছে। লগতে প্ৰকাশ কৰে যে, যোৱা বছৰৰ অক্টোবৰ মাহত অধিসূচনা কৰা সংশোধিত প্ৰতিৰক্ষা ক্ৰয় মেনুৱেলৰ সৈতে বিত্তীয় ক্ষমতাৰ সংশোধিত প্ৰতিনিধিত্বই ক্ষীপ্ৰ সিদ্ধান্ত গ্ৰহণৰ সুবিধা প্ৰদান কৰিব।

00000

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণ যোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে অজৈৱিক ইন্ধন উৎপাদনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ অন্যতম শীৰ্ষ দেশ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোগান আঁচনিৰ দুবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত ইতিমধ্যে এক কোটি বাসগৃহৰ মূধচত সৌৰ পেনেল স্থাপন কৰা হৈছে। শ্ৰী যোশীয়ে প্ৰকাশ কৰে যে, দেশৰ জনসাধাৰণে তেওঁলোকৰ ঘৰৰ মূধচতে কোনো ধৰণৰ বিদ্যুৎ মাচুল অবিহনে যে দৈনন্দিন কামকাজৰ বাবে বিদুৎ উৎপাদন কৰিব পাৰে এই কথা বুজি উঠিছে আৰু সেয়েহে অতি কম সময়ৰ ভিতৰতে এই আঁচনিয়ে বৃহৎ সফলতা লাভ কৰিছে। মন্ত্ৰীগৰাকীয়ে নৱীকৰণযোগ্য শক্তিৰ দীৰ্ঘম্যাদী আৰু পৰিৱেশ অনুকূল লাভালাভৰ ক্ষেত্ৰতো আলোকপাত কৰে। অনুষ্ঠানত শ্ৰী যোশীয়ে হোৱাটছ্এপ ছাটবুট- ছান্তোশ আৰু প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ প্ৰতীকো মুকলি কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ অধীনত সৌৰ পেনেল স্থাপন কৰাৰ বাবে ৪০ শতাংশ পৰ্যন্ত ৰাজ সাহায্য আগবঢ়োৱা হৈছে।

00000

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ ই-প্ৰশাসনৰ বাবে সাতটা বিভাগক সামৰি ৰাষ্ট্ৰীয় বঁটাসমূহ ঘোষণা কৰিছে। ব্যক্তিগত, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন মন্ত্ৰ্যালয়ে কৈছে যে, ই-প্ৰশাসনৰ ক্ষেত্ৰত আগবঢ়োৱা অতুলনীয় অৱদানৰ স্বীকৃতি স্বৰূপে ১০ টা স্বৰ্ণপদক, ৬ টা ৰূপৰ পদক আৰু এটা বিচাৰকৰ পদকসহ মুঠ ১৭ টা পুৰস্কাৰ আগবঢ়োৱা হ'ব। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে যে, সমগ্ৰ দেশতে ই-প্ৰশাসনৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট কামকাজৰ বাবে প্ৰতিবছৰে এই বঁটা আগবঢ়াই অহা হৈছে। ৰাজস্থানৰ জয়পুৰত হ'বলগীয়া ২৯ সংখ্যক ৰাষ্ট্ৰীয় ই-প্ৰশাসন সন্মিলনত এই বঁটাসমূহ আগবঢ়োৱা হ'ব। নিৰ্বাচিত কেন্দ্ৰীয় মন্ত্ৰ্যালয় আৰু বিভাগ, ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, জিলা, সংস্থা আৰু গ্ৰাম পঞ্চায়তসমূহক এই পুৰস্কাৰ আগবঢ়োৱা হ'ব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাট আৰু দমন ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, শক্তি আৰু ঔদ্যোগিক খণ্ডৰ ভালেমান উন্নয়নমূলক প্ৰকল্প

উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।  শ্ৰীমোদীয়ে লগতে ছুৰাটত ২০০ খন বিছনাযুক্ত এখন ই এছ আই চি চিকিৎসালয় মুকলি কৰিব। সন্ধিয়াৰ ভাগত তেওঁ দমনলৈ যাব আৰু তাত দুহেজাৰ ৯৭০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য, অসামৰিক বিমান পৰিবহণ, পৰ্যটন, আন্তঃগাঁথনি, যোগাযোগ আৰু জনকল্যাণ খণ্ডৰ প্ৰকল্প অন্যতম। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে নমো বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱন আৰু নমো চিকিৎসালয়কৈ ধৰি প্ৰায় এহেজাৰ ৩৪০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। বিমান বন্দৰৰ এই নতুন টাৰ্মিনেলে দমনৰ আঞ্চলিক বিমান যোগাযোগ শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব।

০০০০০

নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত হিংসাত্মক যুগৰ অন্ত পেলাই এই খণ্ডক সংঘৰ্ষৰ কেন্দ্ৰৰ পৰা সুযোগৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিলে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শ্বিলঙত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশনত অধ্যক্ষতা কৰাৰ পাছত আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে উত্তৰ-পূব পৰিষদে এই খণ্ডৰ উন্নয়নৰ বাবে কৌশলগত পৰিকল্পনা যুগুতোৱা প্ৰতিষ্ঠান হিচাপে সেৱা আগবঢ়াই আহিছে। তেওঁ লগতে এই পৰিষদে জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰাৰ উপৰি উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিৰ প্ৰসাৰ ঘটাইছে বুলি উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয় যে এখন শক্তিশালী আৰু সমৃদ্ধিশালী উত্তৰ পূৰ্বাঞ্চল গঢ়ি তোলাৰ সংকল্প পূৰণৰ বাবে সকলো নেতা একত্ৰিত হৈছে। আজিৰ বৈঠকত আঞ্চলিক বিকাশৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীৰ প্ৰতিবেদন সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়।

অধিৱেশনত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু নীতি নিৰ্মাতাসকলকে ধৰি বিশিষ্ট নেতাসকলে অংশগ্ৰহণ কৰে। সকলো নেতাই উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ, যোগাযোগ আৰু সমৃদ্ধিৰ ক্ষেত্ৰত সমূহীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে বুলি  উত্তৰ-পূব পৰিষদে সামাজিক মাধ্যমত প্ৰকাশ কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা প্ৰকাশ কৰিছে। কিছু সময় পূৰ্বে সামাজিক মাধ্যম এক্সৰ যোগে মুখ্যমন্ত্ৰীয়ে কাইলৈ শপত গ্ৰহণ কৰিবলগীয়া ১২গৰাকী মন্ত্ৰীৰ তালিকা প্ৰকাশ কৰিছে। সম্প্ৰসাৰিত মন্ত্ৰীসভাত অশ্বিনী ৰয় সৰকাৰ, অশোক সিংহল, বিমল বৰা, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কেশৱ মহন্ত, কৃষ্ণেন্দু পাল, নীলিমা দেৱী, পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব।

০০০০০

ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত কাইলৈ ভাৰতে চিৰবৈৰী পাকিস্তানৰ মুখামুখি হ'ব। খেলখন জাপানৰ কাকামিগহৰা হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইপিনে ছোৱালীৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপৰ চেমি ফাইনেলত    কাইলৈ ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

শেহতীয়া বিশ্ব বক্সিং ৰেংকিঙত ভাৰতে নিজৰ শক্তিশালী স্থিতি অক্ষুণ্ণ ৰাখিছে। মহিলাৰ ৫৭ কিলোগ্ৰাম শাখাত জেছমিন লাম্বৰিয়াই বিশ্বৰ এক নম্বৰ স্থানলৈ আৰোহন কৰা বিপৰীতে এচিয়ান চেম্পিয়ন প্ৰিয়া ঘনঘাচে ৬০ কিলোগ্ৰাম আৰু বিশ্বনাথ সুৰেশে ৫০ কিলোগ্ৰাম শাখাত শীৰ্ষ স্থান দখল কৰিছে। মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত মিনাক্ষীয়ে এক নম্বৰ স্থানত থকাৰ লগতে ৭০ কিলোগ্ৰাম শাখাত অৰুন্ধতি চৌধুৰী, ৮০ কিলোগ্ৰাম শাখাত পূজাৰাণী, ৮০ কিলোগ্ৰামৰ উৰ্ধত নুপুৰে দুই নম্বৰ স্থান দখল কৰে। পুৰুষৰ শাখাত শচীন ছিৱাচ আৰু নৰেন্দৰ বেৰুৱালে শীৰ্ষ পাঁচ নম্বৰ স্থান লাভ কৰাৰ বিপৰীতে ৭০ কিলোগ্ৰাম শাখাত হিতেশ গুলীয়াই ছয় নম্বৰ স্থান আৰু ৬৫ কিলোগ্ৰাম শাখাত অবিনাশ জামুৱালে অষ্টম স্থান দখল কৰে।

০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে আজি মিজোৰাম-ম্যানমাৰ সীমান্তৰ লগতে সীমান্তৱৰ্তী চহৰ চাম্ফাইৰ ৯টা স্থানত ব্যাপক অভিযান চলায়। সঞ্চালকালয়ে প্ৰকাশ কৰা মতে সীমান্তৰ ইপাৰৰ পৰা বৃহৎ পৰিমাণত অবৈধ বাৰ্মিজ ছুপাৰী ভাৰতলৈ সৰবৰাহ কৰা চক্ৰৰ বিৰুদ্ধে এই অভিযান চলায়। এই সৰবৰাহকাৰী চক্ৰটোক সহায় কৰা স্থানীয় লোকৰ বাসগৃহ আৰু ব্যৱসায়িক চৌহদত আজি অভিযান চলোৱা হয় বুলি সঞ্চালকালয়ে প্ৰকাশ কৰিছে। প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পোৱা মতে এই লোকসকলে তিউ নদীৰে ম্যানমাৰৰ পৰা অবৈধভাৱে ছুপাৰী সৰবৰাহ কৰি স্থানীয় গুদামত মজুত কৰি ৰাখে আৰু পাছত ভুৱা ই-ৱে বিল আৰু জালি তথ্যৰে বৈধভাৱে ক্ৰয় কৰা স্থানীয় সামগ্ৰী বুলি ব্যৱহাৰ কৰে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে লগতে কয়, যে এই অবৈধ চক্ৰৰ জৰিয়তে কোটি কোটি টকাৰ জালিয়াতি কৰা হয়। ইয়াৰ লগত জড়িত লোকসকলে তেওঁলোকৰ স্থানীয় জনজাতীয় পৰিচয়ৰ সুযোগ লৈ সীমা শুল্ক কৰ্তৃপক্ষৰ আগত সৰবৰাহ কৰা সামগ্ৰীসমূহ তেওঁলোকৰ বুলি দাবী কৰাৰ উপৰি জব্দকৃত সামগ্ৰীসমূহ মোকলাই নিয়াৰ বাবে পুৰণি তথ্যপাতি প্ৰদান কৰে বুলি সঞ্চালকালয়ে জানিবলৈ দিয়ে।

০০০০০

ঃঃ সমাপ্ত ঃঃ